ASSEB -DIV-II / Golaghat /H.S 1st Year/Final

Total No. of printed pages -14

Code : ECON

SARUPATHAR COLLEGE LIBRARY
Date..............
SARUPATHAR

# 2026

# Economics

***Full Marks : 80***

***Pass Marks : 24***

***Time : 3 Hours***

*The figures in the margin indicate full marks for the questions.*

## ALLOTMENT OF MARKS

**PART -A**

| | | | | |
|---|---|---|---|---|
| Q. Nos. | 1 to 40 | carry 1 mark each : | 1x40 | = 40 |
| | | **PART -B** | | |
| Q. Nos. | 41 | carries 2 marks each : | 2x4 | = 08 |
| Q. Nos. | 42 | carries 3 marks each : | 3x4 | = 12 |
| Q. Nos. | 43 | carries 4 marks each : | 4x2 | = 08 |
| Q. Nos. | 44 | carries 6 marks each : | 6x2 | = 12 |
| | | | Total | = 80 |

Contd ...

## PART - A

## ক অংশ

**Choose the correct answer (Multiple choice-based questions)**

1. The main objective of Micro-economics is to study—

(a) Economic stability. (b) Allocation of scarce resources.

(c) Economic development. (d) Population growth.

ব্যষ্টিবাদী অৰ্থবিজ্ঞান অধ্যয়নৰ মুখ্য উদ্দেশ্য হ'ল—

(a) অৰ্থনৈতিক স্থিৰতা। (b) দুষ্প্ৰাপ্য সম্পদৰ আবন্টন।

(c) অৰ্থনৈতিক বিকাশ। (d) জনসংখ্যা বৃদ্ধি।

2. Assertion (A) : Marginal utility decreases as consumption of a commodity increases.

Reason (R) : The intensity of wants decreases with each additional unit consumed.

(a) Both A and R are true and R is the correct explanation of A.

(b) Both A and R are true and R is not the correct explanation of A.

(c) A is true but R is false.

(d) A is false but R is true.


দাবী (A) : দ্ৰব্য এটাৰ উপভোগ বৃদ্ধি হোৱাৰ লগে লগে প্ৰান্তিক উপযোগিতা হ্ৰাস পায়।

কাৰণ (R) : প্ৰত্যেকটো অতিৰিক্ত একক উপভোগৰ সৈতে অভাৱৰ তীব্ৰতা হ্ৰাস পায়।

(a) A আৰু R উভয়েই সত্য আৰু R, A ৰ শুদ্ধ ব্যাখ্যা। (b) A আৰু R উভয়েই সত্য আৰু R, A ৰ শুদ্ধ ব্যাখ্যা নহয়।

(c) A সত্য কিন্তু R অসত্য। (d) A অসত্য কিন্তু R সত্য।

3. A point inside the Production Possibility curve shows:




(a) Full employment. (b) Efficient allocation of resources.

(c) Unemployment or waste of resources. (d) Maximum production.

উৎপাদন সম্ভাৱিতা ৰেখাৰ ভিতৰত অৱস্থিত বিন্দু এটাই কি বুজায়?

(a) পূৰ্ণ নিযুক্তি (b) সম্পদৰ দক্ষ আবন্টন

(c) সম্পদৰ পৰিচয় (d) সৰ্বাধিক উৎপাদন

4. Total utility is maximum when marginal utility is —

(a) Zero. (b) Positive. (c) Negative. (d) Increasing.

মুঠ উপযোগিতা সৰ্বাধিক হয় যেতিয়া প্ৰান্তিক উপযোগিতা —

(a) শূন্য হয়। (b) ধনাত্মক হয়। (c) ঋনাত্মক হয়। (d) বৃদ্ধি পায়।

5. Which of the following causes a rightward shift of the demand curve ?

(a) Increase in the price of the commodity. (b) Decrease in the income level of consumers.

(c) Increase in the income level of consumers. (d) Decrease in price of substitute goods.

তলত দিয়া কোনটো চাহিদা ৰেখা সোঁফালে স্থানান্তৰিত হোৱাৰ কাৰণ হয়?

(a) দ্ৰব্যৰ মূল্য বৃদ্ধি। (b) উপভোক্তাৰ আয়ৰ স্তৰ হ্ৰাস।

(c) উপভোক্তাৰ আয়ৰ স্তৰ বৃদ্ধি। (d) প্ৰতিকল্প দ্ৰব্যৰ দাম হ্ৰাস।

6. Price elasticity of demand is measured as:

(a) Change in price/Change in demand. (b) Change in demand / Change in price.

(c) Percentage change in quantity demanded / Percentage change in price.

(d) Total demand / Total supply.

চাহিদাৰ দৰ স্থিতিস্থাপকতা কেনেকৈ মাপ কৰা হয়?

(a) দামৰ পৰিৱৰ্তন / চাহিদাৰ পৰিৱৰ্তন (b) চাহিদাৰ পৰিৱৰ্তন / দামৰ পৰিৱৰ্তন

(c) চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন / দামৰ শতাংশ পৰিৱৰ্তন (d) মুঠ চাহিদা / মুঠ যোগান

7. Which of the following is not an exception to the law of demand ?

(a) Giffen goods (b) Prestige goods (c) Inferior goods (d) Fear of shortage.

তলত দিয়া কোনটো চাহিদা বিধিৰ ব্যতিক্ৰম নহয়?

(a) গিফেন দ্ৰব্য (b) মৰ্যাদাসম্পন্ন দ্ৰব্য (c) নিকৃষ্ট দ্ৰব্য (d) নাটনিৰ শংকা

8. Demand for necessary goods like salt and rice is generally:

(a) Perfectly elastic (b) Relatively elastic (c) Relatively inelastic (d) Unitary elastic

নিমখ আৰু চাউলৰ দৰে অত্যাৱশ্যকীয় দ্ৰব্যৰ চাহিদা সাধাৰণতে —

(a) পূৰ্ণ স্থিতিস্থাপক (b) আপেক্ষিকভাৱে স্থিতিস্থাপক (c) আপেক্ষিকভাৱে অস্থিতিস্থাপক (d) একক স্থিতিস্থাপক

9. Which of the following is a variable factor of production in the short run?

(a) Land (b) Machinery (c) Labour (d) Factory

হ্ৰস্বকালত তলৰ কোনটো উৎপাদনৰ পৰিৱৰ্তনশীল উপাদান?

(a) ভূমি (b) যন্ত্ৰপাতি (c) শ্ৰম (d) কাৰখানা

10. If the price of good X increases, the demand for good Y increases, the two goods are :

(a) Complementary goods (b) Substitute goods

(c) Normal goods (d) Inferior goods

X দ্ৰব্যৰ দৰ বৃদ্ধিয়ে Y দ্ৰব্যৰ চাহিদা বৃদ্ধি কৰে তেন্তে দ্ৰব্য দুটা কি ধৰণেৰে সম্পৰ্কিত?

(a) পৰিপূৰক দ্ৰব্য (b) প্ৰতিকল্প দ্ৰব্য

(c) সাধাৰণ দ্ৰব্য (d) নিকৃষ্ট দ্ৰব্য

11. If total cost (TC) = ₹ 3000 and Total variable cost (TVC) = ₹ 2000 find Total fixed cost (TFC).

(a) ₹ 1000 (b) ₹ 2000 (c) ₹ 3000 (d) ₹ 5000

যদি মুঠ ব্যয় (TC) = ₹ 3000 আৰু মুঠ পৰিৱৰ্তনশীল ব্যয় (TVC) = ₹ 2000 হয়, তেন্তে মুঠ স্থিৰ ব্যয় (TFC) নিৰ্ণয় কৰা।

(a) ₹ 1000 (b) ₹ 2000 (c) ₹ 3000 (d) ₹ 5000

12. Which cost curve is a rectangular hyperbola in shape?

(a) AVC (Average variable cost) curve (b) ATC (Average Total cost) curve

(c) MC (Marginal cost) curve (d) AFC (Average Total cost) curve

তলৰ কোনটো ব্যয় ৰেখা আয়তীয় পৰাবৃত্ত আকৃতিৰ ?

(a) AVC (গড় পৰিৱৰ্তনশীল ব্যয়) ৰেখা (b) ATC (গড় মুঠ ব্যয়) ৰেখা

(c) MC (প্ৰান্তিক ব্যয়) ৰেখা (d) AFC (গড় স্থিৰ ব্যয়) ৰেখা

13. When price is constant, then ——

(a) AR = MR (b) AR = TR (c) AR > MR (d) AR < MR

যেতিয়া দাম একে থাকে, তেতিয়া—

(a) AR = MR (b) AR = TR (c) AR > MR (d) AR < MR

14. If marginal revenue (MR) is greater than marginal cost (MC), the producer should ——.

(a) reduce output to minimise loss. (b) stop production

(c) increase output to maximise profit (d) remain at same level of output

যদি প্ৰান্তিক আয় (MR) প্ৰান্তিক ব্যয় (MC) তকৈ বেছি হয়, তেন্তে উৎপাদকে —

(a) লোকচান কম কৰিবলৈ উৎপাদন সৰ্বনিম্ন কৰে (b) উৎপাদন বন্ধ কৰে

(c) লাভ বৃদ্ধি কৰিবলৈ উৎপাদন সৰ্বাধিক কৰে (d) উৎপাদন একে স্তৰতেই ৰাখে

15. Which of the following situations indicates "Abnormal Profit"?

(a) TR = TC (b) TR < TC (c) TR > TC (d) AVC > AC

তলৰ কোনটো অৱস্থাই "অস্বাভাৱিক লাভ" সূচায় ?

(a) TR = TC (b) TR < TC (c) TR > TC (d) AVC > AC

16. Statement 1 (S1): The law of diminishing returns operates only in the short run.

Statement 2 (S2): In the short run, at least one factor of production remains fixed.

(a) Both S1 and S2 are true and S2 is the correct explanation of S1.

(b) Both S1 and S2 are true and S2 is not the correct explanation of S1.

(c) S1 is true but S2 is false.

(d) S1 is false but S2 is true.

বিবৃতি ১ (S1) ঃ ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি কেৱল হ্ৰস্বকালত প্ৰযোজ্য হয়।

বিবৃতি ২ (S2) ঃ হ্ৰস্বকালত অন্ততঃ এটা উৎপাদনৰ উপাদান স্থিৰ হৈ থাকে।

(a) S1 আৰু S2 দুয়োটা সত্য আৰু S2, S1 ৰ সঠিক ব্যাখ্যা।

(b) S1 আৰু S2 দুয়োটা সত্য কিন্তু S2, S1 ৰ সঠিক ব্যাখ্যা নহয়।

(c) S1 সত্য কিন্তু S2 অসত্য।

(d) S1 অসত্য কিন্তু S2 সত্য।

17. The production function of a production unit is given as :

Q = 2L + 3K, where K = capital and L = Labour. Find out the maximum level of output when L= 5 and K=10.

(a) 35 (b) 40 (c) 20 (d) 45

উৎপাদনী একক এটাৰ উৎপাদন কাৰ্যটো তলত দিয়া হৈছে ঃ

Q = 2L + 3K, য'ত K = মূলধন আৰু L = শ্ৰমিক। সৰ্বাধিক উৎপাদনৰ স্তৰ নিৰ্ণয় কৰা যেতিয়া L=5 আৰু K=10 হয়।

(a) 35 (b) 40 (c) 20 (d) 45

18. Freedom of entry and exit leads to :

(a) Price discrimination (b) Price rigidity

(c) Long-run equilibrium of the industry (d) Monopoly power

মুক্ত প্ৰৱেশ আৰু প্ৰস্থানৰ ফলত সৃষ্টি হয়—

(a) দৰ বিভেদীকৰণ (b) মূল্য স্থিৰতা

(c) উদ্যোগৰ দীৰ্ঘকালীন ভাৰসাম্য (d) একচেটিয়া ক্ষমতা

19. When Marginal Cost (MC) is greater than AVC,(MC > AVC) then, AVC—— ?

(a) rises (b) falls (c) constant at its minimum point (d) None of the above.

যেতিয়া প্ৰান্তিক ব্যয়, গড় পৰিৱৰ্তনশীল ব্যয়তকৈ বৃদ্ধি পায় (MC > AVC) তেতিয়া AVC ——?

(a) বৃদ্ধি পায় (b) হ্ৰাস পায় (c) নিম্নতম বিন্দুত স্থিৰে থাকে (d) ওপৰৰ এটাও নহয়

20. Which of the following policies is mainly adopted to protect farmers from fall in prices ?

(a) Price ceiling policy (b) Price floor policy (c) Equilibrium price policy (d) Free price policy

কৃষকক মূল্য হ্ৰাসৰ পৰা সুৰক্ষিত কৰিবলৈ মুখ্য ৰূপে কোনটো নীতি গ্ৰহণ কৰা হয়?

(a) দৰ চিলিং নীতি (b) মজিয়া দৰ নীতি (c) ভাৰসাম্য দৰ নীতি (d) মুক্ত দৰ নীতি

21. Which of the following is a non-economic activity ?

(a) Farming for sale. (b) Working in a factory.

(c) Studying for personal knowledge. (d) Running a shop.

তলৰ কোনটো অনা-অৰ্থনৈতিক কাৰ্য?

(a) বিক্ৰীৰ বাবে কৰা কৃষিকাৰ্য। (b) কাৰখানাত কাম কৰা।

(c) ব্যক্তিগত জ্ঞান অৰ্জনৰ বাবে অধ্যয়ন কৰা। (d) দোকান চলোৱা।

22. Which of the following is not a feature of statistics ?

(a) Data are Collected systematically
(b) Data are related to time and place
(c) Data are based on qualitative opinions only
(d) Data are capable of comparison

তলৰ কোনটো পৰিসংখ্যাৰ বৈশিষ্ট্য নহয় ?

(a) তথ্যসমূহ প্ৰণালীবদ্ধভাৱে সংগ্ৰহ কৰা
(b) তথ্যসমূহ সময় আৰু স্থানৰ সৈতে সম্পৰ্কিত
(c) তথ্যসমূহ কেৱল গুণগত মতামতৰ ওপৰত আধাৰিত
(d) তথ্যসমূহ তুলনাযোগ্য হয়

23. A researcher wants to collect detailed personal opinions of rural women about self help groups. Which method of collecting primary data will be most suitable ?

(a) Direct personal investigation
(b) Indirect oral investigation
(c) Mailed questionnaire
(d) Census method

গ্ৰাম্যাঞ্চলৰ মহিলাসকলৰ আত্মসহায়ক গোট সম্পৰ্কে ব্যক্তিগত মতামত সংগ্ৰহ কৰিবলৈ গৱেষক এজনৰ বাবে আটাইতকৈ উপযোগী প্ৰাথমিক তথ্য সংগ্ৰহৰ পদ্ধতি কোনটো ?

(a) প্ৰত্যক্ষ ব্যক্তিগত অনুসন্ধান পদ্ধতি
(b) পৰোক্ষ মৌখিক অনুসন্ধান পদ্ধতি
(c) ডাকযোগে প্ৰেৰিত প্ৰশ্নাৱলী পদ্ধতি
(d) পিয়ল পদ্ধতি

24. Which of the following qualities is essential for a good sample ?

(a) Being very costly
(b) Being free from bias
(c) Being easy to collect
(d) Being very small

এটা ভাল প্ৰতিদৰ্শৰ বাবে তলৰ কোনটো গুণ অতি প্ৰয়োজনীয় ?

(a) অধিক ব্যয়বহুল হোৱা
(b) পক্ষপাতৰ পৰা মুক্ত হোৱা
(c) সহজে সংগ্ৰহ কৰিব পৰা
(d) অতি সৰু হোৱা

25. Which of the following sources is a non-classified government source of secondary data ?

(a) Census report
(b) RBI Bulletin
(c) Research journal
(d) Government statistical abstract

তলৰ কোনটো বেচৰকাৰী প্ৰকাশিত গৌণ তথ্যৰ উৎস ?

(a) জনগণনা প্ৰতিবেদন
(b) RBI বুলেটিন
(c) গৱেষণা পত্ৰিকা
(d) চৰকাৰী পৰিসংখ্যা প্ৰতিবেদন

26. Heights of 40 students measured in centimeters are recorded for a study. Here, the students 'height' is an example of what ?


(a) Attribute
(b) Variable
(c) Classification
(d) Frequency

40 জন শিক্ষাৰ্থীৰ উচ্চতা ছেন্টিমিটাৰত জোখ-মাখ কৰি সংগ্ৰহ কৰা হ'ল। ইয়াত শিক্ষাৰ্থীৰ 'উচ্চতা' কোনটোৰ উদাহৰণ ?

(a) গুণক
(b) চলক

(c) শ্ৰেণীকৰণ (d) বাৰংবাৰতা

27.




The above diagram is an example of –

(a) Simple bar diagram (b) Histogram (c) Sub-divided bar diagram (d) Multiple bar diagram

ওপৰত দিয়া চিত্ৰটো কিহৰ উদাহৰণ হয়

(a) সৰল দণ্ডচিত্ৰ (b) হিষ্ট'গ্ৰাম (c) খণ্ডিত দণ্ড চিত্ৰ (d) বহু দণ্ডচিত্ৰ

28. Match the following :

| Column 'A' | Column 'B' |
|---|---|
| 1. HistogramA. | A curve which is drawn by joining the points of frequency polygon by a smoothened curve. |
| 2. Frequency curve | B. Curve which is constructed by plotting cumulative frequency data on a graph paper. |
| 3. Ogive | C. A graph in which frequencies are presented in the form of rectangles. |

(a) 1-C, 2-A, 3-B (b) 1-B, 2-A, 3-C

(c) 1-C, 2-B, 3-A (d) 1-A, 2-B, 3-C

তলত দিয়াবোৰ মিলোৱা ঃ

| স্তম্ভ 'A' | স্তম্ভ 'B' |
|---|---|
| ১. হিষ্ট'গ্ৰাম | A. বক্ৰৰেখা যি বাৰংবাৰতা বহুভুজৰ বিন্দুবোৰক এটা মসৃণ বক্ৰৰেখাৰে সংযোগ কৰে। |
| ২. বাৰংবাৰতা বক্ৰ | B. ক্ৰমযৌগিক বাৰংবাৰতাৰ তথ্যবিলাক লেখ কাগজত অংকন কৰি গঠন কৰা বক্ৰ। |
| ৩. অ'গিভ | C. স্তম্ভ লেখচিত্ৰ য'ত বাৰংবাৰতাবিলাক আয়তক্ষেত্ৰৰ আকাৰত উপস্থাপন কৰা হয়। |

(a) 1-C, 2-A, 3-B (b) 1-B, 2-A, 3-C

(c) 1-C, 2-B, 3-A (d) 1-A, 2-B, 3-C

29. Which measure of Central tendency is most affected by extreme value ?

(a) Median (b) Mode (c) Arithmetic Mean (d) Geometric Mean

তলৰ কোনটো কেন্দ্ৰীয় প্ৰৱণতাৰ মাপ চৰম মানৰ দ্বাৰা অধিক প্ৰভাৱিত হয় ?

(a) মধ্যমা (b) বহুলক (c) সমান্তৰ মাধ্য (d) গুণোত্তৰ মাধ্য

30. The mode of the distribution is—

2, 4, 6, 8, 6, 10, 6

(a) 4 (b) 6 (c) 8 (d) 10

তলৰ তথ্যসমূহৰ বহুলক হ'ল — 2, 4, 6, 8, 6, 10, 6

(a) 4 (b) 6 (c) 8 (d) 10

31. Assertion (A): All observations are used in calculating the median.

Reason (R): Median represents the middle value of a series.

(a) Both A and R are true and R is the correct explanation of A.

(b) Both A and R are true and R is not the correct explanation of A.

(c) A is true but R is false.

(d) A is false but R is true.

দাবী (A) ঃ মধ্যমা গণনা কৰিবলৈ সকলো তথ্য ব্যৱহাৰ কৰা হয়।

কাৰণ (R) ঃ মধ্যমাই ৰাশিটোৰ মধ্য মানক প্ৰতিনিধিত্ব কৰে।

(a) A আৰু R উভয়েই সত্য আৰু R, A ৰ শুদ্ধ ব্যাখ্যা।

(b) A আৰু R উভয়েই সত্য আৰু R, A ৰ শুদ্ধ ব্যাখ্যা নহয়।

(c) A সত্য কিন্তু R অসত্য।

(d) A অসত্য কিন্তু R সত্য।

32. Two series A and B have the same arithmetic mean. Series A has a higher standard deviation than Series B. This indicates that:

(a) Series A is more consistent (b) Series B is more consistent

(c) Both series are equally consistent (d) Mean of series A is higher.

দুটা ৰাশি A আৰু B ৰ গাণিতিক গড় একে। A -ৰ মানক বিচলন B -ৰ মানক বিচলনতকৈ অধিক। ই ইংগিত কৰে যে—

(a) A ৰাশি অধিক সুসংগত (b) B ৰাশি অধিক সুসংগত

(c) দুয়োটা ৰাশি সমানে সুসংগত (d) A ৰাশিৰ গড় অধিক

33. Assertion (A): Correlation studies the relationship between two variables.

Reason (R): It measures the degree and direction of relationship between variables.

(a) Both A and R are true and R is the correct explanation of A.

(b) Both A and R are true and R is not the correct explanation of A.

(c) A is true but R is false.

(d) A is false but R is true.

দাবী (A) ঃ সহসম্বন্ধই দুটা চলকৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰে।

কাৰণ (R) ঃ ই চলকসমূহৰ মাজৰ সম্পৰ্কৰ দিশ আৰু মাত্ৰা প্ৰকাশ কৰে।

(a) A আৰু R উভয়েই সত্য আৰু R, A ৰ শুদ্ধ ব্যাখ্যা।

(b) A আৰু R উভয়েই সত্য আৰু R, A ৰ শুদ্ধ ব্যাখ্যা নহয়।

(c) A সত্য কিন্তু R অসত্য।

(d) A অসত্য কিন্তু R সত্য।

34. Match List I with List II and choose the correct answer

| List-I (Situation) | List-II (Types of correlation) |
|---|---|
| 1. Ramesh's income and his expenditure | (A) Zero correlation |
| 2. Mohan's shoe size and intelligence | (B) Positive correlation |
| 3. Price and demand of a commodity | (C) Negative correlation |

(a) 1-A, 2-B, 3-C
(b) 1-B, 2-A, 3-C
(c) 1-C, 2-B, 3-A
(d) 1-C, 2-A, 3-B

তালিকা-I ৰ অৱস্থা সমূহ, তালিকা-II ৰ প্ৰকাৰৰ সৈতে মিলোৱা আৰু সঠিক বিকল্প বাছি উলিওৱা—

| তালিকা-I (অৱস্থা) | তালিকা-II (সহসম্বন্ধৰ প্ৰকাৰ) |
|---|---|
| 1. ৰমেশৰ আয় আৰু ব্যয় | (A) শূন্য সহসম্বন্ধ |
| 2. মোহনৰ জোতাৰ আকাৰ আৰু বুদ্ধিমতা | (B) ধনাত্মক সহসম্বন্ধ |
| 3. বস্তু এটাৰ দৰ আৰু চাহিদাৰ মাজৰ সম্পৰ্ক | (C) ঋণাত্মক সহসম্বন্ধ |

(a) 1-A, 2-B, 3-C
(b) 1-B, 2-A, 3-C
(c) 1-C, 2-A, 3-B
(d) 1-C, 2-B, 3-A

35. If correlation co-efficient = -1, it represents –

(a) Perfect positive correlation

(b) Perfect negative correlation

(c) Moderate negative correlation

(d) Zero correlation.

যদি সহসম্বন্ধ গুণাংক = -1 হয়, তেন্তে ই কি বুজায় —


(a) পূৰ্ণ ধনাত্মক সহসম্বন্ধ

(b) পূৰ্ণ ঋণাত্মক সহসম্বন্ধ

(c) মধ্য ঋণাত্মক সহসম্বন্ধ

(d) শূন্য সহসম্বন্ধ

36. The below given scatter diagram, shows—




(a) Perfect Negative correlation

(b) High degree Positive correlation

(c) Perfect positive correlation

(d) Zero Correlation

তলত দিয়া বিক্ষিপ্ত চিত্ৰটোৱে কি সহসম্বন্ধ দেখুৱাইছে?

(a) উচ্চ মাত্ৰাৰ ধনাত্মক সহসম্বন্ধ

(b) পূৰ্ণ ঋণাত্মক সহসম্বন্ধ

(c) পূৰ্ণ ধনাত্মক সহসম্বন্ধ

(d) শূন্য সহসম্বন্ধ

37. Consumer Price Index (CPI) is mainly used to measure–

(a) Cost of living  (b) Production output

(c) National Income  (d) Export-Import ratio.

গ্ৰাহক দৰ সূচকাংক (CPI) এ মূলতঃ কি জোখে —

(a) জীৱন-নিৰ্বাহৰ ব্যয়  (b) উৎপাদনৰ পৰিমাণ

(c) ৰাষ্ট্ৰীয় আয়  (d) ৰপ্তানি-আমদানিৰ অনুপাত

38. The base year price of rice is ₹ 25 and the current year price is ₹ 20. The price index number will be -

(a) 80  (b) 90  (c) 100  (d) 125

যদি চাউলৰ ভিত্তি বছৰৰ মূল্য ₹ 25 আৰু চলিত বছৰৰ মূল্য ₹ 20 হয়, তেন্তে দৰ সূচকাংক হ'ব —

(a) 80  (b) 90  (c) 100  (d) 125

39. The value of Spearman's Rank Correlation coefficient always lies between –

(a) 0 and 1  (b) - ∝ and + ∝  (c) -1 and + 1  (d) -0.5 and +0.5

স্পিয়েৰমেনৰ ক্ৰমাংক সহসম্বন্ধৰ মান সদায় থাকে —

(a) 0 আৰু 1 ৰ মাজত  (b) -1 আৰু + 1 ৰ মাজত

(c) -1 আৰু + 1 ৰ মাজত  (d) -0.5 আৰু + 0.5 ৰ মাজত

40. In the formula $r = 1 - \frac{6\sum D^2}{N(N^2 - 1)}$ the symbol ' D ' stands for–

(a) Deviation from mean

(b) Difference between actual values

(c) Difference between the ranks of two variables

(d) Difference between frequencies

$r = 1 - \frac{6\sum D^2}{N(N^2 - 1)}$ সূত্ৰটোত 'D' - এ তলৰ কোনটো নিৰ্দেশ কৰিছে —

(a) গড়ৰ পৰা বিচলন (b) প্ৰকৃত মানৰ মাজৰ পাৰ্থক্য

(c) দুটা চলকৰ ক্ৰমাংকৰ মাজৰ পাৰ্থক্য (d) বাৰংবাৰতাৰ পাৰ্থক্য

## PART-B/ খ-অংশ

41. Answer the following questions : তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ 2x4 = 8

(a) What is meant by opportunity cost ? Explain it briefly with one suitable example.

সুযোগ ব্যয় বুলিলে কি বুজা ? এটা উপযুক্ত উদাহৰণসহ সংক্ষিপ্তভাৱে ব্যাখ্যা কৰা।

OR/অথবা

Read the following two statements :

(i) "Unemployment rate in India increased by 2% last year.

(ii) "The government must take immediate steps to reduce unemployment."

Identify which statement is positive economics and which is normative economics and give reasons for your answer.

তলৰ দুটা উক্তি পঢ়া ঃ

(i) "যোৱা বছৰত ভাৰতত নিবনুৱাৰ হাৰ ২% বৃদ্ধি পাইছিল।"

(ii) "চৰকাৰে নিবনুৱা হ্ৰাস কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা লোৱা উচিত।"

কোনটো যথাৰ্থ অৰ্থনীতি আৰু কোনটো আদৰ্শগত অৰ্থনীতিৰ উক্তি চিনাক্ত কৰা আৰু উত্তৰৰ কাৰণ ব্যাখ্যা কৰা।

(b) Mention the reason why indifference curve slopes downward ? Construct a simple indifference curve using any two goods of your choice.

নিৰপেক্ষ ৰেখা এডাল কিয় নিম্নগামী ঢালযুক্ত হয় ? নিজৰ পছন্দ অনুসৰি যিকোনো দুটা সামগ্ৰী লৈ এটা সৰল নিৰপেক্ষ ৰেখা অংকন কৰা।

OR/অথবা

A consumer's total utility has been found to be 60 after consumption of 5 units of a commodity. His total utility was 54 after the consumption of 4 units. Calculate his marginal utility.

দ্ৰব্য এটাৰ 5 একক উপভোগ কৰাৰ পাছত উপভোক্তা এজনৰ মুঠ উপযোগিতা 60 পোৱা গ'ল। দ্ৰব্যটোৰ 4 একক উপভোগ কৰাৰ পাছত তেওঁৰ মুঠ উপযোগিতা 54 আছিল। তেওঁৰ প্ৰান্তিক উপযোগিতা গণনা কৰা।

(c) Point out two importance of statistics in Economics.

অৰ্থনীতিত পৰিসংখ্যাৰ দুটা গুৰুত্ব উল্লেখ কৰা।

OR/অথবা

Why is statistics essential for government policy making ?

চৰকাৰী নীতি নিৰ্ধাৰণৰ বাবে পৰিসংখ্যা কিয় অত্যাৱশ্যক ?

(d) Distinguish between "primary data" and "secondary data".

"প্ৰাথমিক তথ্য" আৰু "গৌণ তথ্য"ৰ মাজৰ পাৰ্থক্য দেখুওৱা।

OR/অথবা

Write short note on NSSO.

NSSO ৰ বিষয়ে চমু টোকা লিখা।

42. Answer the following questions : 3x 4= 12

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

(a) Explain any three factors influencing price elasticity of demand of a commodity.

দ্ৰব্য এটাৰ চাহিদাৰ দৰ স্থিতিস্থাপকতাক প্ৰভাৱিত কৰা যিকোনো তিনিটা উপাদান ব্যাখ্যা কৰা।

OR/অথবা

Identify the following as Normal good and Inferior good :

(i) Watch (ii) Refrigerator (iii) Second-hand clothes

(iv) Low quality food items (v) Local bus travel due to low income (vi) Car

তলত দিয়াসমূহক সাধাৰণ দ্ৰব্য আৰু নিকৃষ্ট দ্ৰব্য হিচাপে চিনাক্ত কৰা ঃ

(i) ঘড়ী (ii) ৰেফ্ৰিজাৰেটৰ (Refrigerator) (iii) ব্যৱহাৰ হোৱা পুৰণি কাপোৰ

(iv) নিম্ন মানৰ খাদ্য সামগ্ৰী (v) নিম্ন আয়ৰ বাবে ব্যৱহৃত স্থানীয় বাছ যাত্ৰা (vi) গাড়ী

(b) State the law of supply. Suppose the price of a commodity increases from ₹ 10 to ₹ 20. As a result, the total quantity supplied increases by 15 units. If the elasticity of supply is 0.5, find out the initial and final level of supply of the firm.

যোগানৰ বিধিটো উল্লেখ কৰা। ধৰা হওক, দ্ৰব্য এটাৰ দাম ₹ 10 টকাৰ পৰা ₹ 20 টকালৈ বৃদ্ধি পাইছে। ফলস্বৰূপে, মুঠ যোগানৰ পৰিমাণ 15 এককৰে বৃদ্ধি পাইছে। যদি যোগানৰ স্থিতিস্থাপকতা 0.5 হয়, তেন্তে প্ৰতিষ্ঠানখনৰ প্ৰাৰম্ভিক আৰু চূড়ান্ত যোগানৰ স্তৰ নিৰ্ণয় কৰা।

OR/অথবা

State any three reasons behind the operation of the law of Variable proportions.

পৰিৱৰ্তনশীল অনুপাত বিধিটোৰ কাৰ্যকাৰিতাৰ আঁৰত থকা যিকোনো তিনিটা কাৰণ লিখা।

(c) What are the essentials of a good questionnaire ?

ভাল প্ৰশ্নাৱলী এখনৰ বৈশিষ্ট্যসমূহ কি কি?

OR/অথবা

What are the advantages of sampling method of collection of data over the census method ?

পিয়ল পদ্ধতিৰ তুলনাত নমুনা পদ্ধতিৰে তথ্য সংগ্ৰহৰ সুবিধাবোৰ আলোচনা কৰা।

(d) Name the main parts of a table. Mention one objective of tabulation. 2+1=3

এখন তালিকাৰ মূল অংশসমূহৰ নাম লিখা। তালিকাকৰণৰ এটা উদ্দেশ্য উল্লেখ কৰা।

OR/অথবা

Distinguish between Histogram and Bar diagram.

হিষ্ট'গ্ৰাম আৰু দণ্ডচিত্ৰৰ মাজৰ পাৰ্থক্য লিখা।

43. Answer the following questions: 4 x 2= 8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

(a) With the help of a table and diagram explain the law of demand.

চাহিদা অনুসূচী আৰু চিত্ৰৰ সহায়ত চাহিদা বিধিটো ব্যাখ্যা কৰা।

OR/অথবা

Explain consumer equilibrium in case of a single commodity with the help of a utility schedule.

এটা সামগ্ৰী উপভোগৰ ক্ষেত্ৰত উপভোক্তাৰ ভাৰসাম্য অৱস্থাটো এখন উপযোগিতা অনুসূচীৰ সহায়ত ব্যাখ্যা কৰা।

(b) Explain the meaning and importance of index number. 1+3=4

সূচক সংখ্যাৰ অৰ্থ কি আৰু ইয়াৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰা।

OR/অথবা

Find out the value of Karl Pearson's co-efficient of correlation of the following:

তলৰ তথ্যৰাশিৰ পৰা কাল পিয়েৰচনৰ সহসম্বন্ধ গুণাংক নিৰ্ণয় কৰা ঃ

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| X: | 61 | 72 | 73 | 63 | 84 | 80 | 66 | 76 |
| Y: | 40 | 52 | 49 | 43 | 61 | 58 | 42 | 58 |

44. Answer the following questions: 6 x 2= 12

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

(a) What is the meaning of equilibrium price? With the help of a suitable diagram explain the process of determination of equilibrium price of a commodity under perfectly competitive market. 1+ 5 = 6

ভাৰসাম্য দৰৰ অৰ্থ কি? উপযুক্ত চিত্ৰৰ সহায়ত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দ্ৰব্য এটাৰ ভাৰসাম্য দাম নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা।

OR/অথবা

What is market equilibrium? The demand and supply functions of a salt producing firm under perfectly competitive market are given below: 2+2+2=6

$Qd = 200 - 2P$ and $Qs = -100 + 3P$

Now, (i) Find out the equilibrium level of output and price.

(ii) If due to increased cost the supply function becomes $Qs = -100 + 3P$, what will be the changes in equilibrium price and quantity?

বজাৰৰ ভাৰসাম্যতা কি? পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত নিমখ উৎপাদনকাৰী প্ৰতিষ্ঠান এখনৰ চাহিদা আৰু যোগান ফলন হৈছে ঃ $Qd = 200 - 2P$ আৰু $Qs = -100 + 3P$

এতিয়া, (i) ভাৰসাম্য উৎপাদনৰ স্তৰ আৰু দাম নিৰ্ণয় কৰা।

(ii) যদি বৰ্দ্ধিত ব্যয়ৰ কাৰণে যোগান ফলনটো $Qs = -100 + 3P$ হয়, তেন্তে ভাৰসাম্য দাম আৰু পৰিমাণৰ কি পৰিবৰ্তন হ'ব?

(b) Write two merits and two demerits of each of the arithmetic mean, median and mode. 2+2+2=6

গাণিতিক গড়, মধ্যমা আৰু বহুলক — প্ৰত্যেকৰে দুটাকৈ গুণ আৰু দোষ লিখা।

OR/অথবা

From the following grouped data, calculate: 2+2+2=6

(i) Mean

(ii) Median and

(iii) Mode.

তলত দিয়া বৰ্গীকৃত তথ্যসমূহৰ পৰা

(i) গড়

(ii) মধ্যমা আৰু

(iii) বহুলক গণনা কৰা —

| Class Interval<br>শ্ৰেণী অন্তৰাল | Frequency<br>বাৰংবাৰতা |
|---|---|
| 0-10 | 5 |
| 10-20 | 9 |
| 20-30 | 14 |
| 30-40 | 8 |
| 40-50 | 4 |

*****